# অসমীয়া

## কবিতা

# কথা পদ্য

আনন্দ বৰমুদৈ

মোৰ প্ৰথম চাহ কবিতাই
ডেউকা কোবোৱা দেখিলোঁ
গম পালোঁ খুঁটি খাব পাৰিব।
ক'লোঁ : আকাশত উৰি চা
আৰু ডেউকাত ভৰ দি
ঘৰলে' ঘূৰি যা।
বাট নিচিনো বুলি নক'বি
তইঁত সিহঁতৰে পেটৰ পোৱালি।
দুখীয়া মানুহৰ কবিতা
সিহঁতৰ চোতালত চুঁচৰি
পিৰালিত থিয় দঙা দিয়া
সিহঁতৰ দুখেৰে ফুটা তইঁতৰ মাত।
পিছে কবিতাই দেখোন সিহঁতৰ বুকুলে'
বিচাৰি নেপায় বাট।
পেটৰ মাজেদিহে বোলে
সিহঁতৰ বুকুলে' বাট
আৰু পেটত যিহে একুৰা জুই!
পাখি লগা শব্দ মোৰ
জুইতে জাহ যায়
বুকুলে' বাট-ঘাট বিচাৰি নেপায়।